# একবিংশ শতিকাৰ প্ৰেক্ষাপটত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি

সম্পাদক
ড° অমৰ শইকীয়া

অসমীয়া বিভাগ
সৰুপথাৰ মহাবিদ্যালয়

**Ekabingsha Shatikar Prekshapatat Asamiya Bhasa-Sahitya aru Sanskriti :** The proceeding volume of National Seminar held on 28th & 29th October, 2022 at Sarupathar College. Sponsored by NRL, Organized by Department of Assamese, Sarupathar College in colaboration with Dibrugarh University, Dibrugarh. Edited by Dr. Amor Saikia and published by Department of Assamese, Sarupathar College, Sarupathar.

1st Published : March, 2023 Price : Five hundred only

প্ৰকাশক ঃ

অসমীয়া বিভাগ

সৰুপথাৰ মহাবিদ্যালয়, সৰুপথাৰ

প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০২৩

মূল্য ঃ ৫০০ টকা

মুদ্ৰণ ঃ ৰামধেনু প্ৰিন্টাৰ্চ, ডিব্ৰুগড়

অক্ষৰ বিন্যাস ঃ যুগল মেধি

বেটুপাতৰ শিল্পী ঃ মনজিত ৰাজখোৱা

ISBN- 978-93-5777-102-3

© Author, 2023

All right reserved. No part of this work may be reproduced, stored, in a retrieval system, or transmitted in any form or by any means, electronic, mechanical, photocopying, recording, or otherwise, without the copyright owner's and the publisher's prior written permission.

# সম্পাদকীয়

ভাষিক আৰু সাংস্কৃতিক দিশত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল অতি ঐশ্বৰ্যশালী। এই ঐশ্বৰ্যশালী উত্তৰ-পূব অঞ্চলত প্ৰচলিত থকা ভাষাসমূহৰ ভিতৰত অসমৰ ৰাজ্যভাষা অসমীয়াই আটাইতকৈ শক্তিশালী। আনহাতে ই ওচৰ-চুবুৰীয়া অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যৰ বিভিন্ন ভাষা-ভাষী মানুহৰ মাজত সংযোগ আৰু সমন্বয়ৰ সেতু 'সংযোগী ভাষা' হিচাপেও কাম চলাই আছে।

বৰ্তমানৰ অসমীয়া ভাষাটো হাজাৰ বছৰৰ ক্ৰমপৰিৱৰ্তনৰ ফল। অসমীয়া ভাষাটোৰ আঁতি গুৰি বিচাৰিলে পৃথিৱীৰ সৰ্ববৃহৎ ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ কাষ পাবগৈ পাৰি। ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ সতম আৰু কেন্টুম — এই দুটা শাখাৰ সতম শাখাৰ অন্তৰ্গত এটা উপশাখা ইন্দো-ইৰাণীয়। ইন্দো-ইৰাণীয়ৰ দুটা ঠাল হৈছে ইৰাণীয় আৰ্য আৰু ভাৰতীয় আৰ্য। এই ভাৰতীয় আৰ্যভাষাৰ পৰাই বিকাশ লাভ কৰা এটা ভাষা হৈছে অসমীয়া ভাষা। আৰ্যসকল ভাৰতলৈ আহে আনুমানিক খৃঃ পূঃ পঞ্চদশ শতিকাৰ পৰা। ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম লিখিত নিদৰ্শন ঋকবেদৰ ৰচনাকাল আনুমানিক খৃঃ পূঃ দ্বাদশ শতিকাৰপৰাই ভাৰতীয় আৰ্যভাষাৰ ইতিহাস আৰম্ভ হৈছে।

খৃষ্টীয় দশম একাদশ শতিকামানতে অসমীয়াকে ধৰি নব্য ভাৰতীয় আৰ্যভাষাসমূহে বিকাশ লাভ কৰে। দশম একাদশ শতিকাতে নিজা ৰূপ পৰিগ্ৰহ কৰিলেও অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন পোৱা যায় খৃষ্টীয় চতুৰ্দশ শতিকাৰপৰাহে। চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিতেই অসমীয়া সাহিত্যৰ প্ৰাচীনতম লিখিত নিদৰ্শন। প্ৰাক শংকৰী যুগৰপৰা অসমীয়া ভাষাই সাহিত্যৰ মাধ্যমেৰে নানা বৈশিষ্ট্যৰে বিকাশ লাভ কৰি বৰ্তমানে এটা শক্তিশালী ভাষাৰূপে প্ৰতিষ্ঠা লাভ কৰিলে।

ভাষা পৰিৱৰ্তনশীল। সাহিত্যৰ ভাষা বা লিখিত ৰূপত সংৰক্ষিত ভাষা এটা স্তৰত স্থিৰ হৈ থাকিলেও কথ্যভাষাই অতি সহজে পৰিৱৰ্তনমুখী গতি লয়। এনে পৰিপ্ৰেক্ষিততে মানুহৰ মুখে মুখে প্ৰচলিত অসমীয়া ভাষাই আঞ্চলিক ৰূপেৰে বিকাশ লাভ কৰিলে। ভাষিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি সেয়ে অসমীয়া ভাষাক উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষা হিচাপে ভাগ কৰা হ'ল। নামনি অসমৰ উপভাষাকো আকৌ কামৰূপীয়া, গোৱালপৰীয়া আদি ভাগত ভাগ কৰা হ'ল। আহোম ৰাজ্যৰ ৰাজধানীকেন্দ্ৰিক শিৱসাগৰ অঞ্চলৰ ভাষাই মান্যৰূপত অসমীয়া ভাষা হিচাপে দীৰ্ঘদিন ধৰি প্ৰচলিত হৈ আছে। কিন্তু সম্প্ৰতি পৰিৱৰ্তনৰ ধামখুমীয়াত মান্যৰূপত প্ৰচলিত অসমীয়া ভাষায়ো স্বকীয় ৰূপ হেৰুওৱাৰ দিশে ধাৱমান হৈছে বুলি ভাষাবিদসকল চিন্তিত হোৱা পৰিলক্ষিত হৈছে।

একবিংশ শতিকাৰ প্ৰেক্ষাপটত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি এই শতিকাটোৰ ঘটনা-পৰিঘটনা, চিন্তাধাৰা, গোলকীকৰণ, বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ প্ৰভাৱেৰে প্ৰভাৱিত হৈছে। অসমীয়া ভাষা তথা সংস্কৃতিলৈ বিভিন্ন ধৰণেৰে প্ৰত্যাহ্বান আহি পৰাৰ লগতে ভাষিক আগ্ৰাসনো আহি পৰিছে। ইয়াৰ ফলত পৃথিৱীৰ সৰু সৰু জনগোষ্ঠীয় ভাষাসমূহ নিশ্চিহ্ন হোৱাৰ দৰে অসমীয়া ভাষা বৰ্তমান নহ'লেও অদূৰ ভৱিষ্যতে সংকটৰ গৰাহত পৰিব। বৰ্তমান অসমত বসবাস কৰি থকা অসমীয়াভাষীসকলৰ ভাষিক আবেগ অবিহনে অসমীয়া ভাষাৰ ভৱিষ্যত অকল্পনীয়। এনে পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক সময়ৰ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ গতি-প্ৰকৃতি, পৰিৱৰ্তন আৰু প্ৰভাৱ আদি ভিন্ন দিশৰ অধ্যয়ন, গৱেষণা আৰু আলোচনাৰ গুৰুত্ব অনস্বীকাৰ্য। লগতে বিশ্বৰ চিত্ৰপটত অসমীয়া ভাষা-সাহিত্যৰ স্থিতি সম্পৰ্কে অধ্যয়ন আৰু চিন্তা-চৰ্চাৰ প্ৰাসংগিকতা সাম্প্ৰতিক সময়ত অতিকে গুৰুত্বপূৰ্ণ বিষয়। এই সকলোবোৰ দিশ সামৰি নুমলীগড় শোধনাগাৰৰ আৰ্থিক সাহাৰ্যৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগত ২৮ আৰু ২৯ অক্টোবৰ, ২০২২ তাৰিখে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰা হৈছিল। আলোচনাচক্ৰত পঠিত কেইখনমান আলোচনাপত্ৰৰ একত্ৰ সংকলনৰ সম্পাদিত ৰূপ এই গ্ৰন্থখন।

গ্ৰন্থখনৰ পাতনি আৰু বীজভাষণ লিখি আমাক বাধিত কৰিছে বিশিষ্ট ভাষাবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° নগেন ঠাকুৰ চাৰ আৰু

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° অনুৰাধা শৰ্মাই। তেওঁলোক দুয়োৰে ওচৰত আমি কৃতজ্ঞ। গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত আলোচনা চক্ৰ উদ্‌যাপন সমিতি, সমন্বয়ক ড° প্ৰণৱ ফুকন আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত আমি কৃতজ্ঞ।

**ড° অমৰ শইকীয়া**

অসমীয়া বিভাগ
সৰুপথাৰ মহাবিদ্যালয়
মাৰ্চ, ২০২৩

## বিশেষ কৃতজ্ঞতা


- বিশ্বজিৎ ফুকন, বিধায়ক, ৯৪ নং সৰুপথাৰ সমষ্টি।
- ড° কাজল শইকীয়া, মহাপ্ৰবন্ধক, নুমলীগড় ৰিফাইনেৰী লিমিটেড।
- ড° জিতেন হাজৰিকা, উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়।
- ড° প্ৰাপ্তি ঠাকুৰ, অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়।
- ড° জ্যোতিপ্ৰসাদ শইকীয়া, উপাচাৰ্য, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়।
- ড° নগেন ঠাকুৰ, বিশিষ্ট ভাষাবিদ তথা অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।
- ড° অনুৰাধা শৰ্মা, প্ৰাধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।
- ড° পল্লবী ডেকা বুজৰবৰুৱা, প্ৰাধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়।
- ড° দিপক কুমাৰ ৰয়, প্ৰাধ্যাপক, ৰায়গঞ্জ বিশ্ববিদ্যালয়, পশ্চিমবংগ।

# সূচীপত্ৰ

❑ মুখবন্ধ

- **বৰ্তমানৰ অসমীয়া ভাষাৰ অৱস্থিতি** ১-৯
  ড° নগেন ঠাকুৰ

❑ বীজভাষণ

- **একবিংশ শতিকাৰ প্ৰেক্ষাপটত অসমীয়া ভাষা সাহিত্য-সংস্কৃতি** ১০-১৯
  ড° অনুৰাধা শৰ্মা

➢ ভাষা

- **অসমীয়া ভাষাৰ শব্দগত দিশলৈ অহা পৰিৱৰ্তন ঃ এক বিশ্লেষণ** ২০-২৮
  ড° জয়া কলিতা
- **একবিংশ শতিকাৰ প্ৰেক্ষাপটত তিনিচুকীয়া জিলাৰ চাহ-জনগোষ্ঠীৰ ভাষাৰ এক অধ্যয়ন** ২৯-৩৮
  নয়না বুঢ়াগোহাঁই
- **শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষা ঃ এক নমুনাভিত্তিক অধ্যয়ন** ৩৯-৪৭
  প্ৰাঞ্জল দাস
- **একবিংশ শতিকাৰ প্ৰেক্ষাপটত দূৰদৰ্শনৰ মাধ্যমেৰে অসমীয়া ভাষাত পৰিৱেশিত বিজ্ঞাপন ঃ এটি বিশ্লেষণ** ৪৮-৭০
  ড° অমৰ শইকীয়া
- **বৈদ্যুতিন মাধ্যমত অসমীয়া ভাষা প্ৰয়োগ ঃ সৰলীকৰণ আৰু গ্ৰহণযোগ্যতা *(ফেচবুক ৰ বিশেষ উল্লিখনসহ)*** ৭১-৮২
  ড° ঊষামণি কাকতি

➢ সাহিত্য-সংস্কৃতি

- **একবিংশ শতিকাৰ প্ৰেক্ষাপটত ধনশিৰি মহকুমাৰ লেখক-লেখিকাৰ সাহিত্য সৃষ্টি ঃ চমু আলোকপাত** ৮৩-৯৭
  ড° প্ৰণৱ ফুকন

- **শিশু আলোচনী 'মৌচাক'ত প্ৰকাশিত কবিতা ঃ এক অধ্যয়ন (নিৰ্বাচিত ২০২০ বৰ্ষ)** ৯৮-১১৭
  অনন্যা খাৰঘৰীয়া
- **'দেউল' উপন্যাসৰ আধাৰত অসমীয়া ভাষা সাহিত্য প্ৰতিষ্ঠাত হেমচন্দ্ৰ বৰুৱাৰ বৌদ্ধিক সংগ্ৰামৰ আলোচনা** ১১৮-১২৬
  ড° ববিতা দত্ত
- **জয়ন্ত মাধৱ বৰাৰ *নৰক গুলজাৰ*ঃ এক সমাজতাত্ত্বিক অধ্যয়ন** ১২৭-১৩৪
  ববিতা গগৈ
- **নব্য মাধ্যম আৰু অসমীয়া উপন্যাস সাহিত্য** ১৩৫-১৪৭
  চয়নিকা চেতিয়া
- **একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীবাদঃ অনুৰাধা শৰ্মা পূজাৰীৰ ''চাহেবপুৰাৰ বৰযুণ''ৰ বিশেষ উল্লিখনেৰে** ১৪৮-১৫৭
  দীপশিখা ফুকন
- **সপোনজ্যোতি ঠাকুৰৰ নাটকত মহাকাব্যিক চৰিত্ৰৰ পুনঃনিৰ্মাণ ঃ 'কৈল্যাণ খৰমান' নাটকৰ আধাৰত বিশ্লেষণ** ১৫৮-১৬৪
  ড° ৰীতা বৰা
- **সমকালীন অসমীয়া উপন্যাসত প্ৰান্তীয়কৰণৰ (marginlisation) প্ৰসংগ** ১৬৫-১৬৯
  ড° সত্যজিৎ দাস
- **কেশৱানন্দ দেৱগোস্বামীৰ 'ককলা' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন** ১৭০-১৮৬
  হিৰোমনি দিহিঙীয়া
- **অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাসত লিংগ সম্পৰ্কীয় সামাজিক দৃষ্টিভংগী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (অয়নান্ত উপন্যাসৰ বিশেষ উল্লেখেৰে)** ১৮৭-২০৭
  ৰাখী ৰাজকুমাৰী
- **মনালিচা শইকীয়াৰ 'শংখনিনাদ'; ৰুদ্ৰানী শৰ্মাৰ 'উত্তৰকাল'ত অসম আন্দোলন আৰু নতুন প্ৰজন্মৰ মোহভংগৰ ছবি ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** ২০৮-২১৫
  তুলতুল ফুকন

- **অতনু ভট্টাচাৰ্যৰ গল্প ঃ বিষয় আৰু বৈচিত্ৰ** ২১৬-২৩৫
  ড° প্ৰাপ্তি ঠাকুৰ
- **'ওপৰ মহল' উপন্যাসৰ মুখ্য চৰিত্ৰ 'জলম'** ২৩৬-২৪০
  ভাৰতী শইকীয়া
- **একবিংশ শতিকাৰ বসন্ত শইকীয়াৰ মঞ্চ নাটক 'অন্য এক পৰশুৰাম' আৰু 'অস্তিত্বৰ সংকট'ৰ কাহিনী বিশ্লেষণ আৰু চৰিত্ৰ চিত্ৰণ ঃ এক অধ্যয়ন** ২৪১-২৪৯
  মাণিক জ্যোতি গগৈ
- **সবিতা গোস্বামীৰ 'মন গংগাৰ তীৰত' আত্মজীৱনীত প্ৰতিফলিতসমকালীন সমাজ জীৱনত নাৰীৰ স্থান, আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম আৰু সমসাময়িক অসমৰ ৰাজনৈতিক পৰিস্থিতি** ২৫০-২৬১
  সান্ত্বনা বড়া
- **আধুনিক যুগৰ অসমৰ ভাওনা পৰম্পৰা** ২৬২-২৭৪
  জিতুল চন্দ্ৰ বৰা
- **একবিংশ শতিকাত অংকীয়া নাটৰ আৰ্হিত পৰিৱেশিত মাতৃভাষাৰ ভাওনা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (ধনশিৰি মহকুমাত পৰিৱেশিত ভাওনাৰ বিশেষ উল্লেখেৰে)** ২৭৫-২৮৫
  সুশীল শইকীয়া
- **একবিংশ শতিকাৰ গল্পকাৰ মণিকা দেৱীৰ গল্পৰ এক বিশ্লেষণাত্মক অধ্যয়নঃ 'বুঢ়াটোৱে ক'লে...' আৰু 'বৰদেউতা আহিবৰ দিনা' শীৰ্ষক গল্পৰ বিশেষ উল্লেখেৰে** ২৮৬-২৯৫
  দীপশিখা দিহিঙীয়া
- **Application of language technology in Assamese language: an analysis based on altmetric data available for research publications in Research Gate, an academic social networking site.** ২৯৬-৩০৪
  Mrs. Madhurekha Saikia
- **লেখক পৰিচিতি** ৩০৫-৩০৬